# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিনিৰ সৈতে ভাৰত আৰু শ্লোভাকিয়াৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে।

২। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰীয়ে দেশত প্ৰব্ৰজন ৰোধৰ বাবে গ্ৰাম্য ভাৰতক কেন্দ্ৰ কৰি নীতি নিৰ্ধাৰণ কৰাত গুৰুত্ব প্ৰদান কৰে।

৩। আমেৰিকাৰ পৰা আমদানীকৃত সামগ্ৰীৰ ওপৰত চীনে অতিৰিক্ত ৪৮ শতাংশ শুল্ক আৰোপ কৰিছে।

৪। দমিনিকা গণৰাজ্যৰ ৰাজধানী চেন্তো দমিংগোত সংঘটিত এটা দুৰ্ঘটনাত কমেও ৯৮ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ১৫০ গৰাকীতকৈও অধিক লোক আহত হয়। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত খন্তেক পাছতে এখন খেলত গুজৰাট টাইটানছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিনিৰ সৈতে ব্ৰাতিছলাভাত ভাৰত আৰু শ্লোভাকিয়াৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। এই আলোচনাত দুয়োগৰাকী ৰাষ্ট্ৰপ্ৰধানে গোলকীয় আৰু আঞ্চলিক স্বাৰ্থজড়িত বিষয়সমূহতো আলোকপাত কৰে। প্ৰতিনিধি পৰ্যায়ৰ এই আলোচনাত ভাৰতৰ ফালৰ পৰা ৰাজ্যমন্ত্ৰী শ্ৰীমতী নিমুবেন বামভানিয়া, দোভাল পেটেল আৰু শ্ৰীমতী সন্ধ্যা ৰায়ৰ লগতে জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে।

দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতি পেলেগ্ৰিনিৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। এই আলোচনাকালত দুয়োগৰাকী নেতাই দুখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ইয়াৰে এখন

হৈছে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত আৰু আনখন চুক্তি সুষমা স্বৰাজ বৈদেশিক সেৱা প্ৰতিষ্ঠান আৰু বৈদেশিক তথা ইউৰোপীয় পৰিক্ৰমাৰ শ্লোভোক মন্ত্ৰালয়ৰ মাজত সম্পন্ন হৈছে।

শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে আলোচনাকালত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশখনত ভাৰতীয় কলা আৰু সংস্কৃতিৰ জনপ্ৰিয়তা বৃদ্ধিৰ দিশটোত গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দুয়োখন দেশে সহযোগিতাৰে এইক্ষেত্ৰত যথেষ্ট আগবাঢ়িব পাৰে বুলি উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে চলিত বৰ্ষৰ পহিলা মে'ৰ পৰা ৪ মে'লৈ মুম্বাইত হ'বলগীয়া ৱেৱ সন্মিলনত সক্ৰিয় অংশগ্ৰহণৰ বাবে শ্লোভাকিয়াই আমন্ত্ৰণ জনায়।

শ্লোভাকিয়া ভ্ৰমণলৈ যোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু দেশখনৰ ব্ৰাতিছলাভাৰ ৰাষ্ট্ৰপতি ভৱনত দেশখনৰ ৰাষ্ট্ৰপতিয়ে আদৰণি জনায়।

ooooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰীয়ে দেশত প্ৰব্ৰজন ৰোধৰ বাবে গ্ৰাম্য ভাৰতক কেন্দ্ৰ কৰি নীতি নিৰ্ধাৰণ কৰাত গুৰুত্ব প্ৰদান কৰে। নতুন দিল্লীত অনুষ্ঠিত কিশান কুম্ভমেলা ২০২৫ ত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীগাডকাৰীয়ে কয়, যে চৰকাৰী নীতিসমূহে গ্ৰাম্য এলেকাৰ খেতিয়ক আৰু দুৰ্বল শ্ৰেণীৰ কল্যান নিশ্চিত কৰাৰ বাবে নিৰ্ধাৰণ কৰা প্ৰয়োজন। মন্ত্ৰী শ্ৰীগাডকাৰীয়ে কয় যে কৃষকসকলে উদ্যমীসকলৰ পৰা নতুন প্ৰযুক্তিৰ বিষয়ে শিকা উচিত। তেওঁ আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত কৃষকসকলৰ দক্ষতা আৰু অভিজ্ঞতা আনৰ সৈতে বিনিময় কৰাৰ বাবে আহ্বান জনায়।

ooooo

আমেৰিকাৰ পৰা আমদানীকৃত সামগ্ৰীৰ ওপৰত চীনে অতিৰিক্ত ৪৮ শতাংশ শুল্ক আৰোপ কৰিছে। চীনৰ বৈদেশিক মন্ত্ৰীয়ে জনোৱা অনুসৰি এই শুল্ক কাইলৈ মাজনিশাৰ পৰা কাৰ্যকৰী হ'ব।

ইয়াৰ পূৰ্বে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে চীনা সামগ্ৰীৰ ওপৰত ১০৪ শতাংশ প্ৰতিশুল্ক আৰোপ কৰিছিল। আজি প্ৰকাশ কৰা এখন শ্বেতপত্ৰৰ জৰিয়তে চীনে অভিযোগ কৰিছে যে, হোৱাইট হাউচে বিশ্ব বাণিজ্যৰ শৃংখল গভীৰভাৱে ক্ষতি কৰাৰ লগতে বিশ্বৰ উদ্যোগিক আৰু যোগান ব্যৱস্থাৰ নিৰাপত্তা আৰু স্থিৰতাৰ ক্ষেত্ৰত ভাবুকি কঢ়িয়াই আনিছে। এই ক্ষেত্ৰত বেইজিং কৰ্তৃপক্ষই ৱাছিংটনৰ সৈতে আলোচনাত বহিবলৈ সন্মত বুলিও শ্বেতপত্ৰখনত উল্লেখ কৰিছে। দক্ষিণ কোৰিয়াৰ বাণিজ্য মন্ত্ৰী চেং ইন কিঅ'ই শুল্ক হ্ৰাস কৰাৰ ক্ষেত্ৰত ৱাছিংটনত ডোনাল্ড ট্ৰাম্পৰ দলৰ সৈতে আলোচনাত মিলিত হৈছে। উল্লেখযোগ্য যে দক্ষিণ কোৰিয়াই আমেৰিকালৈ বৃহৎ সংখ্যক গাড়ী আৰু ইলেকট্ৰনিক্স সামগ্ৰী ৰপ্তানি কৰে। দক্ষিণ কোৰিয়াৰ এই সামগ্ৰীসমূহৰ ওপৰত ৰাষ্ট্ৰপতি ট্ৰাম্পে ২৫ শতাংশ প্ৰতিশুল্ক আৰোপ কৰিছে।

ইপিনে, ইংলেণ্ডে দেশখনৰ বিত্তীয় স্থিতিস্থাপকতা প্ৰতিবেদনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ শেহতীয়া শুল্কনীতিয়ে গোলকীয় বিকাশ আৰু বিত্তীয় স্থিৰতাত ভাবুকি কঢ়িয়াই আনিছে বুলি সকিয়াই দিয়ে।

ooooo

বিজেপিয়ে ৱকফ সংশোধনী বিধেয়কৰ বিৰুদ্ধে জম্মু-কাশ্মীৰ বিধানসভা আৰু দেশৰ কোনো কোনো অঞ্চলত হোৱা প্ৰতিবাদ দূৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ মুখপাত্ৰ প্ৰেম শুক্লাই কয় যে ৱকফ্ সংশোধনী বিধেয়কখন ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ অনুমোদনৰ পাছতেই আইনত

পৰিণত হ'ব। তেওঁ অভিযোগ কৰে, যে বিৰোধী শাসিত কিছুমান ৰাজ্যত বিধেয়কখনৰ বিৰুদ্ধে অযথা প্ৰতিবাদ দেখা গৈছে। যদিহে বিধেয়ক সন্দৰ্ভত কাৰোবাৰ অভিযোগ আছে তেন্তে উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাব পাৰে। বিজেপি নেতাজনে এইবুলি অভিযোগ কৰে যে, বিধেয়কখনৰ বিৰোধিতা কৰা লোকসকলৰ সংবিধান আৰু ন্যায়ালয়ৰ ওপৰত আস্থা নাই।

০০০০০

দমিনিকা গণৰাজ্যৰ ৰাজধানী চেন্তো দমিংগোত কালি ঘৰৰ চাদ খহি সংঘটিত এটা দুৰ্ঘটনাত কমেও ৯৮ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ১৫০ গৰাকীতকৈও অধিক লোক আহত হয়। এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱাসকলৰ ভিতৰত দেশখনৰ ভূপূৰ্ব লীগ বেছবল পিচাৰ অক্টাভিঅ' দ'টেলো আছে। বিশিষ্ট সংগীত শিল্পী ৰুবি পেৰেজৰ এটা সংগীতানুষ্ঠানৰ সময়ত কালি এই দুৰ্ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাত শিল্পী ৰুবি পেৰেজৰ মৃত্যু হয়। সংগীতানুষ্ঠানত শ-শ লোক উপস্থিত আছিল। ৪০০ গৰাকী উদ্ধাৰকৰ্মীয়ে দুৰ্ঘটনাস্থলীত উদ্ধাৰ অভিযান চলাই আছে। দুৰ্ঘটনাস্থলীত মৃতকৰ সংখ্যা বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে।

০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে পৰিপুষ্টিৰ সজাগতা, স্বাস্থ্য সজাগতা আৰু সামুহিক সৰলীকৰণৰ বাবে পোষণ পযেক ২০২৫ উদযাপন কৰিছে। এই পযেক পোষণ অভিযান ২.০ৰ অংশ। যাৰ উদ্দেশ্য হৈছে ব্যক্তিগত আৰু সমুহীয়া উন্নতি সাধন কৰা। এই পযেক উদযাপনৰ সময়ত পুৰিপুষ্টি আৰু সুস্বাস্থ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। বিশেষকৈ শিশু আৰু গৰ্ভৱতী মহিলাৰ পৰিপুষ্টিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰালয়ে পোষণ পযেকৰ সপ্তম সংস্কৰণ যোৱা ৮ এপ্ৰিলৰ পৰা অহা ২২ এপ্ৰিললৈ পযেকযোৱা আয়োজনৰ দিহা কৰিছে।

০০০০০

চীনৰ হেব়েই প্ৰদেশৰ চেমদে চহৰৰ এখন নাৰ্চিং হোমত মঙলবাৰে নিশাৰ ভাগত এক অগ্নিকাণ্ড সংঘটিত হৈছে। অগ্নিকাণ্ডত ২০ লোকৰ মৃত্যু হোৱাৰ লগতে প্ৰায় ১৯ জন লোক আহত হৈছে। বাতৰি লিখাৰ পৰলৈকে অগ্নিকাণ্ডৰ সূত্ৰপাতৰ কাৰণ জানিব পৰা হোৱা নাই যদিও ঘটনাৰে জড়িতৰ সন্দেহত নাৰ্চিং হোম কৰ্তৃপক্ষই এজন ব্যক্তিক আটক কৰিছে।

০০০০০

জম্মু-কাশ্মীৰৰ উধামপুৰ জিলাৰ ৰামনগৰৰ অন্তৰ্গত জোফেৰত গাঁৱত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীৰ উদ্দেশ্যে গুলিচালনা কৰে। সেই স্থানত ৩ জনকৈ সন্ত্ৰাসবাদী লুকাই থকাৰ উমান পোৱাৰ পাছতে আজি নিৰাপত্তা বাহিনীয়ে অভিযান আৰম্ভ কৰিছে। বাতৰি লিখাৰ পৰলৈকে নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত গুলিচালনা অব্যাহত আছে। যোৱা ২৪ মাৰ্চৰ পৰা কাথোৱা জিলাৰ চানিয়াল অঞ্চলত আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলাই আহিছে। উল্লেখযোগ্য যে, ২৭ মাৰ্চত আৰক্ষী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা গুলিচালনাত দুজন সন্ত্ৰাসবাদী আৰু ৪ জন আৰক্ষীৰ জোৱান নিহত হৈছিল।

০০০০০

পদ্মশ্ৰী সন্মানেৰে সন্মানিত মধ্যপ্ৰদেশৰ বিশিষ্ট লোককলা শিল্পী, ৰাই নৃত্যবিদ ৰামসাহায় পাণ্ডেৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়,

যে প্ৰয়াত পাণ্ডে কলাত্মক প্ৰদৰ্শন তথা কঠোৰ পৰিশ্ৰম আৰু উচৰ্গাৰ মনোভাৱেৰে বুন্দেলখণ্ডৰ লোক নৃত্য ৰাইক আন্তৰাষ্ট্ৰীয় খ্যাতি প্ৰদান কৰিছে। পাণ্ডেৰ মৃত্যু বিশ্বৰ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি বুলি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে উল্লেখ কৰে।

ooooo

৯২ বছৰ বয়সত আজি দেহাৱসান ঘটা বিশিষ্ট কংগ্ৰেছ নেতা থিৰু কুমাৰী অনন্থনৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তামিলনাডুৰ জনসাধাৰণৰ কল্যাণ আৰু তামিলনাডুৰ উন্নতিৰ বাবে নেতাগৰাকীয়ে আগবঢ়োৱা অৱদানৰ বাবে তেওঁ স্মৰণীয় হৈ থাকিব। শ্ৰীমোদীয়ে লগতে কয়, যে এইগৰাকী বিশিষ্ট নেতাই তামিল ভাষা আৰু সংস্কৃতিক জনপ্ৰিয় কৰি তোলাৰ বাবে অশেষ প্ৰচেষ্টা চলাইছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত খন্তেক পাছতে এখন খেলত গুজৰাট টাইটানছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি ৰাজস্থান ৰয়েলছে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

ইপিনে, যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে চেন্নাই ছুপাৰ কিংছক ১৮ ৰাণত পৰাস্ত কৰে। পাঞ্জাব কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০১ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

একেদৰে ইডেন গাৰ্ডেনছত অনুষ্ঠিত কালিৰ আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক ৪ ৰাণত পৰাস্ত কৰে। কলকাতাই ২৩৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৩ উইকেটৰ বিনিময়ত ২৩৮ ৰাণ সংগ্ৰহ কৰে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**